**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 01-06-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ম্যানমাৰৰ ৰাষ্ট্ৰপতি ইউ মিন আং লাইনৰ সৈতে আলোচনাত মিলিত হ'ব।

২। ১০ খন ৰাজ্যৰ ২৪ খন ৰাজ্যসভা আসনৰ দ্বিবাৰ্ষিক নিৰ্বাচনৰ বাবে আজি অধিসূচনা জাৰি কৰা হ'ব।

৩। বিশিষ্ট গায়িকা সুমন কল্যাণপুৰৰ কালি মুম্বাইৰ নিজা বাসগৃহত দেহাৱসান ঘটে।

৪। ম্যানমাৰৰ উত্তৰ-পূব প্ৰান্তত কালি সংঘটিত এটা বিস্ফোৰণত ৪৫ জনতকৈও অধিক লোকৰ মৃত্যু হয়।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত গুজৰাট টাইটানছক ৫ উইকেটত পৰাস্ত কৰি ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে একেৰাহে দ্বিতীয়বাৰৰ বাবে খিতাপ জয় কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ম্যানমাৰৰ ৰাষ্ট্ৰপতি ইউ মিন আং লাইনৰ সৈতে আলোচনাত মিলিত হ'ব। ভাৰত আৰু ম্যানমাৰৰ মাজৰ ঐতিহাসিক আৰু সভ্যতাগত সম্পৰ্ক সুদৃঢ় কৰাৰ সন্দৰ্ভত বৈঠকত আলোচনা কৰা হ'ব। তদুপৰি নিৰাপত্তা আৰু যোগাযোগকে ধৰি বিভিন্ন খণ্ডত দুয়োখন দেশৰ মাজৰ কৌশলগত সম্পৰ্ক বিষয়তো গুৰুত্ব আৰোপ কৰা হ'ব। ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভালে কালি সন্ধিয়া নতুন দিল্লীত অভ্যাগত ৰাষ্ট্ৰপতিগৰাকীক সাক্ষাৎ কৰে। ৫ দিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ অহা ম্যানমাৰৰ ৰাষ্ট্ৰপতিগৰাকীয়ে যোৱা শনিবাৰে বিহাৰৰ গয়া ভ্ৰমণ কৰে। ৰাষ্ট্ৰপতি লাইনৰ সৈতে কেইবাগৰাকী কেবিনেট মন্ত্ৰী, শীৰ্ষ বিষয়া আৰু ব্যৱসায়ী নেতাৰ এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধিৰ দল ভাৰতলৈ আহিছে। ৰাষ্ট্ৰপতি হিচাপে দায়িত্বভাৰ গ্ৰহণৰ পাছত প্ৰথমবাৰৰ বাবে ইউ মিন আং লাইন ভাৰতলৈ আহিছে। তেওঁ কাইলৈ মুম্বাইত ব্যৱসায় আৰু উদ্যোগ জগতৰ প্ৰতিনিধিসকলৰ সৈতে মত বিনিময় কৰিব।

ooooo

১০ খন ৰাজ্যৰ ২৪ খন ৰাজ্যসভা আসনৰ দ্বিবাৰ্ষিক নিৰ্বাচনৰ বাবে আজি অধিসূচনা জাৰি কৰা হ'ব। অন্ধ্ৰপ্ৰদেশ, গুজৰাট আৰু কৰ্ণাটকত ৪ খনকৈ, ৰাজস্থান আৰু মধ্যপ্ৰদেশত ৩ খনকৈ, ঝাৰখণ্ডত দুখন আৰু মণিপুৰ, মেঘালয়, অৰুণাচল প্ৰদেশ আৰু মিজোৰামৰ এখনকৈ আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। চলিত মাহত ৰাজ্যসভাৰ সদস্য হিচাপে কাৰ্যকাল সম্পূৰ্ণ হ'বলগীয়া নেতাসকলৰ ভিতৰত প্ৰাক্তন প্ৰধানমন্ত্ৰী তথা জে ডি এছৰ নেতা এইচ ডি দেৱেগৌড়া, কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ নেতা জৰ্জ কুৰিয়ান আৰু ৰৱনীত সিং, ৰাজ্যসভাৰ বিৰোধী পক্ষৰ নেতা তথা কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে অন্যতম।

ইপিনে মহাৰাষ্ট্ৰ, তামিলনাডু আৰু ওড়িশাৰ এখনকৈ আসনত ৰাজ্যসভাৰ উপ-নিৰ্বাচনৰ বাবেও আজি অধিসূচনা জাৰি কৰা হ'ব। মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী সুনেত্ৰা অজিত পাৱাৰ আৰু তামিলনাডুৰ এ আই ডি এম কেৰ সাংসদ চি ভি ছনমুগাম বিধানসভালৈ শেহতীয়াকৈ নিৰ্বাচিত হোৱাৰ ফলত এই আসনকেইখন খালী হৈ আছে। ওড়িশাৰ বিজেডিৰ সাংসদ দেৱাশীষ সামান্ত্ৰে সাংসদ পদ প্ৰত্যাহাৰ কৰিছে।

ৰাজ্যসভাৰ দ্বিবাৰ্ষিক নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ আজিৰে পৰা ৮ জুনলৈ দাখিল কৰিব পাৰিব। ১৮ জুনত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব আৰু সেইদিনাই ভোটগণনা কৰা হ'ব।

ooooo

বিশিষ্ট গায়িকা সুমন কল্যাণপুৰৰ কালি মুম্বাইৰ নিজা বাসগৃহত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৯ বছৰ। প্ৰবীণ গায়িকাগৰাকীয়ে ১৯৫০ৰ পৰা ১৯৭০ চনলৈ বোলছবি গীতৰ সোণালী যুগত হিন্দী, মাৰাঠীকে ধৰি বিভিন্ন ভাৰতীয় ভাষাৰ গীতত কণ্ঠদান কৰিছিল। ১৯৩৭ চনৰ ২৮ জানুৱাৰীত বাংলাদেশৰ ঢাকাত জন্মগ্ৰহণ কৰা সুমন কল্যাণপুৰে ১৯৫০ চনৰ মাজভাগত প্ৰথমখন হিন্দী ছবিত গীত গাইছিল। 'আজকল তেড়ে মেৰে প্যাৰ কে চৰ্চে', 'না না কৰকে প্যাৰ' আৰু 'তুমনে পুকাড়া ঔৰ হম চলে আয়ে' আদিকে ধৰি বহু জনপ্ৰিয় গীতত কণ্ঠদান কৰা সুমন কল্যাণপুৰে কিংবদন্তী গায়ক মহম্মদ ৰফিৰ সৈতে প্ৰায় এশটা গানত কণ্ঠদান কৰিছিল। গায়িকাগৰাকীৰ মৃত্যুত মহাৰাষ্ট্ৰৰ ৰাজ্যপাল জিষ্ণু দেৱ বাৰ্মা, মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নাবিছ, উপ-মুখ্যমন্ত্ৰী একনাথ সিন্দে, সুনেত্ৰা পাৱাৰ আৰু কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে শোক প্ৰকাশ কৰিছে।

ooooo

পশ্চিমবংগৰ মুখ্যমন্ত্ৰী শুভেন্দু অধিকাৰীয়ে আজি মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ কৰিব। ৰাজ্যখনৰ মন্ত্ৰী পৰিষদত ৩৫ গৰাকী নতুন মন্ত্ৰী অন্তৰ্ভুক্ত কৰা হ'ব। আজি দিনৰ ১১ বজাত লোকভৱনত শপতগ্ৰহণ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। যোৱা ৯ মে'ত ৫ গৰাকী মন্ত্ৰীৰ সৈতে শপত গ্ৰহণ কৰা শুভেন্দু অধিকাৰীৰ মন্ত্ৰীসভাত নতুন মন্ত্ৰীসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।

ooooo

ম্যানমাৰৰ উত্তৰ-পূব প্ৰান্তৰ এটা অট্টালিকাত খননৰ বাবে মজুত কৰি ৰখা বিস্ফোৰক সামগ্ৰীৰ বিস্ফোৰণ ঘটি ৪৫ জনতকৈ অধিক লোক নিহত হয়। স্থানীয় সংবাদ মাধ্যমৰ বাতৰি অনুসৰি নামহকাম চহৰৰ কাউংটুপ গাঁৱত কালি দুপৰীয়াৰ ভাগত সংঘটিত হোৱা এই বিস্ফোৰণত প্ৰায় ৭০ জন লোক আহত হয়।

চীন-ম্যানমাৰ সীমান্তৰ পৰা প্ৰায় ৩ কিলোমিটাৰ দক্ষিণে অৱস্থিত এই অঞ্চলটো ম্যানমাৰৰ কেন্দ্ৰীয় চৰকাৰৰ সৈতে সংঘাতত লিপ্ত হোৱা জনগোষ্ঠীয় সশস্ত্ৰ সংগঠন টা'আং নেশ্যনেল লিবাৰেশ্যন আৰ্মিৰ নিয়ন্ত্ৰণত আছে।

বিস্ফোৰণ স্থলীত উপস্থিত হোৱা এজন উদ্ধাৰ কৰ্মীয়ে জনোৱা মতে, সন্ধিয়ালৈকে ৪৬টা মৃতদেহ উদ্ধাৰ কৰা হৈছে আৰু ইয়াৰ ভিতৰত ছটা শিশুও আছে। উদ্ধাৰ অভিযান চলি আছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

ooooo

কেন্দ্ৰীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা তথা শক্তি বিভাগৰ মন্ত্ৰী মনোহৰ লালে কালি ত্ৰিপুৰাত নগৰ অঞ্চলৰ অনাময় ব্যৱস্থা আৰু শক্তিৰ আন্তঃগাঁথনি শক্তিশালী কৰাৰ বাবে কেইবাটাও পদক্ষেপ লোৱাৰ কথা ঘোষণা কৰে। ত্ৰিপুৰাৰ শক্তি মন্ত্ৰী ৰতন লাল নাথৰ সৈতে

আগৰতলাত যুটীয়া সংবাদমেল সম্বোধন কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে ৰাজ্যখনৰ আৱৰ্জনা ব্যৱস্থাপনা ব্যৱস্থা উন্নীতকৰণৰ বাবে আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব। তেওঁ কয় যে অনাময় ব্যবস্থা উন্নত কৰাৰ বাবে সমগ্ৰ ৰাজ্যখনতেই শৌচাগাৰ জৰীপ কৰা হ'ব। পৰ্যটকক আকৰ্ষণ কৰা আগৰতলা, ধৰ্মনগৰ, মেলাঘৰ আৰু উদয়পুৰৰ স্বচ্ছতা বৃদ্ধিৰ বাবেও বিশেষ ধন আৱণ্টন দিয়া হৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে সংবাদ মেলত প্ৰকাশ কৰে । স্থানীয় উদ্যোগী আৰু আৱৰ্জনা ব্যৱস্থাপনাৰ সৈতে জড়িত বিষয়াসকলৰ বাবে প্ৰশিক্ষণ কাৰ্যসূচীৰ আয়োজন কৰা হ'ব বুলিও তেওঁ জানিবলৈ দিয়ে।

শক্তি খণ্ডত মন্ত্ৰীগৰাকীয়ে ২০২৭ চনৰ মাৰ্চ মাহৰ ভিতৰত "পি এম সূৰ্য্য ঘৰ বিনামূলীয়া বিজুলী অভিযান"ৰ অধীনত ত্ৰিপুৰাত দুই লাখ গৃহত সৌৰ সংযোগ স্থাপনৰ লক্ষ্য নিৰ্ধাৰণ কৰি অবৈধ বিদ্যুৎ সংযোগ ৰোধ কৰাৰ লগতে স্মাৰ্ট মিটাৰ স্থাপন ত্বৰাম্বিত কৰাৰ প্ৰয়োজনীয়তাত গুৰুত্ব আৰোপ কৰে।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে কেন্দ্ৰই অহা বছৰ ৰাষ্ট্ৰীয় পৰ্যায়ত ৩০০ গিগাৱাট শক্তি উৎপাদন আৰু ২০৪৭ চনৰ ভিতৰত ১০০ গিগাৱাট পাৰমাণৱিক শক্তি উৎপাদনৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে।

০০০০০

ম্যানমাৰৰ পৰা পলায়নৰ প্ৰায় এক দশক পাছত বাংলাদেশত ৰহিংগীয়া শৰণাৰ্থীৰ বাবে সহায় “ভংগুৰ পৰ্যায়”ত প্ৰৱেশ কৰিছে বুলি সংযুক্ত ৰাষ্ট্ৰীয় মানৱাধিকাৰ আয়োগ"-এ প্ৰকাশ কৰিছে। আন্তঃৰাষ্ট্ৰীয় পুঁজিৰ হ্ৰাস, শিবিৰৰ অৱস্থাৰ অৱনতি আৰু সুৰক্ষাৰ দিশতো উদ্বেগ বৃদ্ধি পাইছে বুলি আয়োগে প্ৰকাশ কৰিছে ।

২০২৬ চনত "যৌথ সঁহাৰি পৰিকল্পনা" গঠন কৰি ৰাষ্ট্ৰসংঘ আৰু ইয়াৰ অংশীদাৰসকলে ১৫ কোটিতকৈ অধিক ৰোহিংগীয়া শৰণাৰ্থী আৰু আন সম্প্ৰদায়ক সহায় কৰিবলৈ ৭১ কোটি মাৰ্কিন ডলাৰতকৈ অধিক ধনৰ আবেদন জনাইছে।

ম্যানমাৰলৈ ঘূৰি অহাৰ সম্ভাৱনা সীমিত হৈ বাংলাদেশত প্ৰায় ১৩ লাখ ৰাষ্ট্ৰহীন ৰহিংগীয়াৰ আছে। বিভিন্ন সংস্থাই জানিবলৈ দিয়া মতে শিবিৰসমূহৰ ভিতৰত জীৱিকাৰ সুযোগ সীমিত হৈ আছে। প্ৰাপ্ত তথ্য অনুসৰি বিগত বৰ্ষত মাত্ৰ ২৩ শতাংশ শৰণাৰ্থী পৰিয়ালেহে কামৰ বিপৰীতে নগদ ধন লাভ কৰিছিল । আনহাতে ৩৫ শতাংশ শৰণাৰ্থীৰ উপাৰ্জনৰ কোনো উৎস নাছিল আৰু সম্পূৰ্ণৰূপে সাহায্যৰ ওপৰত নিৰ্ভৰশীল আছিল।

২০২৪ চনৰ আৰম্ভণিৰ পৰা মহিলা, শিশু, বৃদ্ধ, বিশেষভাৱে সক্ষম লোক আৰু প্ৰায় ডেৰ লাখ নতুনকৈ অহা লোক ধনৰ নাটনিৰ ফলত আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হৈছে। ৰাষ্ট্ৰসংঘই ৰহিংগীয়াসকলক স্বেচ্ছামূলক, নিৰাপদ আৰু মৰ্যাদাপূৰ্ণভাৱে ম্যানমাৰলৈ ঘূৰাই পঠোৱাৰ প্ৰয়োজনীয়তা পুনৰবাৰ উল্লেখ কৰিছে যদিও ইয়াৰ অগ্ৰগতি সীমিত হৈ আছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা আহমেদাবাদাৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত ফাইনেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে গুজৰাট টাইটানছক ৫ উইকেটত পৰাস্ত কৰি একেৰাহে দ্বিতীয়বাৰৰ বাবে খিতাপ জয় কৰে। ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে ১৫৬ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৮ অভাৰত ৫ উইকেটৰ বিনিময়ত অনায়াসে নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে। বিৰাট কোহলি ৪২টা বলত ৭৫ ৰান কৰি আউট নোহোৱাকৈ থাকে। ইয়াৰ পূৰ্বে গুজৰাট টাইটানছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ

লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১৫৫ ৰান সংগ্ৰহ কৰে। দলৰ হৈ ৱাশ্বিংটন সুন্দৰে ৫০ ৰান কৰি আউট নোহোৱাকৈ থাকে। বিৰাট কোহলিক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

সম্পূৰ্ণ দুমাহজোৰা এইবাৰৰ আই পি এলত বৈভৱ সূৰ্যবংশী আটাইতকৈ গুৰুত্বপূৰ্ণ খেলুৱৈ হিচাপে বিবেচিত হয়। প্ৰতিযোগিতাত সূৰ্যীবংশীয়ে সৰ্বাধিক ৭৭৬ ৰান কৰি অৰেঞ্জ কেপ লাভ কৰা আটাইতকৈ কম বয়সীয়া খেলুৱৈ হিচাপে অভিলেখ গঢ়ে। আই পি এলৰ এইবাৰ সংস্কৰণত মুঠ ২৯টা উইকেট দখল কৰাৰ বাবে কাগিছ' ৰাবাডাই পাৰ্পল কেপ লাভ কৰে। মনীষ পাণ্ডেই কেটছ্ অৱ দা ছিজন সন্মান লাভ কৰে। ১৭২টা ডট বলেৰে মহম্মদ ছিৰাজে প্ৰতিযোগিতাখনত অধিক সংখ্যক ডট বল কৰা খেলুৱৈৰ সন্মান লাভ কৰে। একেদৰে ছাই সুদৰ্শনে আটাইতকৈ বেছি বাইণ্ডেৰী মৰা খেলুৱৈৰ সন্মান লাভ কৰে। সুদৰ্শনে ৭৫টা ফ'ৰ মাৰে। বৈভৱ সূৰ্যবংশীয়ে এমাৰ্জিং প্লেয়াৰ অৱ দা ছিজন, ছুপাৰ ষ্ট্ৰাইকাৰ অৱ দা ছিজন আৰু ছুপাৰ ছিক্সেছ অৱ দা ছিজনকে ধৰি বহুকেইটা সন্মান অৰ্জন কৰে।

০০০০০

সমাপ্ত